অধ্যায় ৬ ঃ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোক (৫১-৬৩) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ (৫১-৬৩) শ্লোকসমূহৰ সংস্কৃত পাঠ

৬.৩.১ শ্লোকসমূহৰ (৫১-৬৩) গদ্যপাঠ

৬.৩.২ শ্লোকসমূহৰ (৫১-৬৩) শব্দার্থ

৬.৩.৩ শ্লোকসমূহৰ (৫১-৬৩) অসমীয়া অনুবাদ

৬.৪ ব্যাকৰণগত টোকা

৬.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৫১-৬৩) বিষয়বস্তু

৬.৬ মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আর্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৫১-৬৩) সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব, লগতে শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- কুমাৰসম্ভৱম্ৰ তৃতীয়সর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণৰ লগত অৱগত হ'ব
- ৫১-৬৩ শ্লোকৰ ভিতৰত কেইটামান শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থৰ জ্ঞান লাভ কৰিব পাৰিব।

৬.২ পৰিচয়

আপুনি ইতিমধ্যে 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ (৪১-৫০) লৈকে শ্লোকসমূহৰ অধ্যয়ন কৰিলে। শ্লোকসমূহত শিৱৰ সমাধিস্থ ৰূপৰ বিষয়ে জানিব পাৰিলে। মহাদেৱে কেনে আসনত বহিছিল, শৰীৰ কেনেদৰে ৰাখিছিল, শৰীৰৰ নৱদ্বাৰ ৰোধ কৰি তপস্যা কৰি থকা কামদেৱে

কেনেদৰে মহাদেৱক দর্শন কৰিছিল আৰু তাৰ বর্ণনা জানিব পাৰিলে।

এই অধ্যায়ত আপুনি কেনেদৰে হিমালয়ৰ দুহিতা পার্বতীয়ে শিৱৰ আশ্রমত উপস্থিত হৈ কেনেদৰে শিৱক শুশ্রূষা কৰিছিল, অনবদ্যা সুন্দৰী পার্বতীৰ ৰূপৰ বর্ণনা, যোগ-সমাধিৰ পিচত মহাদেৱৰ বীৰাসন পৰিত্যাগ-কৰোতে ভূজঙ্গাধিপতি শেষ নাগে কথমপিহে ভূমি ধাৰণ কৰিবলৈ সক্ষম হৈছিল। বসন্তৰ পল্লৱেৰে শিৱক পার্বতীয়ে প্রণাম জনাইছিল আৰু শিৱই অনন্যাসক্ত স্বামী লাভ কৰিবলৈ আশীর্বাদ দিছিল। এই সকলোবোৰ এই অধ্যায়ৰ পৰা জানিব পাৰিব।

৬.৩ কুমাৰসম্ভৱম্ তৃতীয়সর্গৰ (৫১-৬৩) শ্লোকসমূহৰ সংস্কৃত পাঠ

স্মৱন্তথাভূতময়ুগ্মনেত্রং **পশ্যন্নদূৰান্মনসাপ্যধৃষ্যম্**।
নালক্ষয়ত্সাধ্বসন্নহস্তঃ স্রস্তংশৱং চাপমপি-স্বহস্তাত্।। ৫১।।
নির্বাণভূয়িষ্ঠমথাস্য বীর্য্যং সন্ধুক্ষয়ন্তীৱ বপুর্গুণেন।
অনুপ্রয়াতা বনদেৱতাভ্যামদৃশ্যত স্থাৱৰ ৰাজকন্যা।। ৫২।।
অশোক নির্ভত্র্সিতপদ্মৰাগমাকৃষ্হেমদ্যুতি কর্ণিকাৰম্।
মুক্তাকলাপীকৃতসিনধুবাৰং বসনতপুষ্পাভৰণং বহন্তো।। ৫৩।।
আৱর্জিতাকিঞ্চিদিৱ স্তনাভ্যাং বাসোবসানা তৰুণার্কৰাগম্।
পর্যাপ্তপুষ্পস্তৱকাৱনম্রা সঞ্চাৰিণী পল্লবিনীলতেৱ।। ৫৪।।
স্রস্তাং নিতম্বাদৱলম্বমানা পুনঃ পুনঃ কেসৱদামকাঞ্চীম্।
ন্যাসীকৃতাং স্থানবিদা স্মৰেণ মৌর্বী দ্বিতীয়ামিৱ কার্মুকস্য।। ৫৫।।
সুগন্ধিনিঃশ্বাসৱিবৃদ্ধতৃষ্ণং বিম্বাধৰাসন্নচৰং দ্বিৰেফম্।
প্রতিক্ষণং সম্ভ্রমলোলদৃষ্টির্লীলাৰবিন্দেন নিবাৰয়ন্তী।। ৫৬।।
তাংবীক্ষ্য সর্বাৱয়বানৱদ্যাং ৰতেৰপি **হ্রীপদমাদধানাস্**।
জিতেন্দ্রিয়ে শূলিনি পুষ্পচাপঃ স্বকার্যসিদ্ধিং পুনৰাশশংমে।। ৫৭।।
ভৱিষ্যতঃ পত্যুৰুমা চ শম্ভোঃ সমাসসাদ প্রতিহাৰভূমিম্।
যোগাত্ স চান্তঃ পৰমাত্মসজ্ঞং দৃষ্ট্বা পৰং **জ্যোতিৰুপাৰৰাম**।। ৫৮।।
ততো ভুজঙ্গাধিপতেঃ ফনাগ্রৈৰধঃ কথঞ্চিদ্ধৃতঃ ভূমিভাগঃ।
জ্ঞানৈঃ কৃতপ্রাণবিমুক্তিৰীশঃ পর্যঙ্কবন্ধং নিবিড়ং বিভেদ।। ৫৯।।
তস্মৈ শশংস প্রণিপত্য নন্দী শুশ্রূষয়া শৈলসুতামুপেতাম্।
প্রবেশয়ামাস চ ভর্ত্তুৰিনাং ভ্রুক্ষেপমাত্রানুমতপ্রবেশাম্।। ৬০।।
তস্যাঃ সখীভ্যাম্ প্রণিপাতপূর্ব স্বহস্তলূনঃ শিশিৰাত্যয়স্য।
ব্যকীর্যত ত্র্যম্বকপাদমূলে পুষ্পোচ্চয়ঃ পল্লৱভঙ্গভিন্নঃ।। ৬১।।
উমাপি নীলালকমধ্যশোভি বিস্রংসয়ন্তী নৱকর্ণিকাৰম্।
চকাৰ কর্ণচ্যুতপল্লবেন মূর্ধ্না প্রণামং বৃষভধ্বজায়।। ৬২।।


পশ্যন্ = অদূৰাত্ + মনসা + ত্যপি অধৃষ্যম্


হ্রীপদম্ + আদধানাম্


জ্যোতিঃ + উপৰৰাম

অনন্যভাজং পতিমাপ্নুহীতি সা তথ্য মেবাভিহিতা ভৱেন।
ন হীশ্বৰব্যাহৃতয়ঃ কদাচিতপুষ্নন্তি লোকে বিপৰীতমর্থম্।। ৬৩।।

৬.৩.১ শ্লোকসমূহৰ (৫১-৬৩) গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ ৫১-৬০ নং শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

শ্লোক ৫১ ঃ স্মৰঃ তথাভূতং মনসা অপি অধৃষ্যম্ অযুগ্মনেত্রম্ (শিৱম্) অদূৰাত্ পশ্যন্ সাধ্বসন্নহস্তঃ (সন্) স্বহস্তাত্ স্রস্তং চাপং ন অলক্ষয়ত্।

শ্লোক ৫২ ঃ অথ নির্বাণভূয়িষ্ঠম্ অস্য বীর্য্যং বপুর্গুণেন সন্ধুক্ষয়ন্তি (বর্দ্ধয়ন্তী) ইৱ বনদেৱতাভ্যাম্ অনুপ্রয়াতা (অনুগম্যমানা) স্থাৱৰ ৰাজকন্যা অদৃশ্যত।

শ্লোক ৫৩ ঃ অশোক নির্ভ ত্ সিত পদ্মৰাগমাকৃ ষ্টহে মদ্যু তি কর্ণি কাৰম্ মুক্তাকলাপীকৃতসিন্ধুবাৰং বসন্তপুষ্পভৰণং বহন্তী (ৰাজকন্যা অদৃশ্যত)।

শ্লোক ৫৪ ঃ স্তনাভ্যাং কিঞ্চিদিব আৱর্জিতা তৰুণার্কৰাগম্ বাসঃ বসানা পর্যাপ্তপুষ্পস্তৱকাবনম্রা সঞ্চাৰিণী পল্লবিনী লতা ইৱ (ৰাজকন্যা অদৃশ্যত)।

শ্লোক ৫৫ ঃ স্থানবিদা স্মৰেণ ন্যাসীকৃতাং কার্মুকস্য দ্বিতীয়াং মৌর্বীম্ ইৱ নিতম্বাত্ স্রস্তাং কেসৰদামকাঞ্চীম্ পুনঃ পুনঃ অৱলম্বমানা (ৰাজকন্যা অদৃশ্যত)।

শ্লোক ৫৬ ঃ সুগন্ধিনিঃশ্বাসৱিবৃদ্ধতৃষ্ণং বিম্বাধৰাসন্নচৰং দ্বিৰেফং প্রতিক্ষণং সংভ্রমলোলদৃষ্টি লীলাৰবিন্দেন (ৰাজকন্যা অদৃশ্যত)।

শ্লোক ৫৭ ঃ সর্বাৱয়ৱানবদ্যাং ৰতেঃ অপি হ্রীপদম্ আদধানাং তাং বীক্ষ্য পুষ্পচাপঃ স্বকার্যসিদ্ধিং পুনৰাশশংসে।

শ্লোক ৫৮ ঃ উমা ভৱিষ্যতঃ পত্যুঃ শম্ভোঃ প্রতিহাৰভূমিম্ (দ্বাৰদেশম্) সমাসসাদ চ স অন্তঃ পৰমাত্মসংজ্ঞং পৰং জ্যোতিঃ দৃষ্টি যোগাত্ উপাৰৰাম্।

শ্লোক ৫৯ ঃ ততঃ ভুজঙ্গাধিপতেঃ ফণাগ্রৈঃ অধঃ (নিম্নভাগেঃ) কথঞ্চিত্ ধৃতভূমিভাগঃ শনৈঃ কৃতপ্রাণবিমুক্তিঃ ঈশঃ নিবিড়ং পর্যঙ্কবন্ধঃ (বীৰাসনং) বিভেদ।

শ্লোক ৬০ ঃ নন্দী তস্মৈ (ঈশায়) প্রণিপত্য শুশ্রূষয়া উপেকতাম্ শৈলসূতাং শশংস, ভর্ত্তুঃ ভ্রুক্ষেপ-মাত্রানুমতপ্রৱেশাম্ এনাং প্রৱেশয়ামাস চ।

শ্লোক ৬১ ঃ তস্যাঃ সখীভ্যাং স্বহস্তলুনঃ পল্লৱভংগভিন্নঃ শিশিৰাত্যয়স্য পুষ্পোচয়ঃ প্রণিপাতপূর্বং ত্র্যয়ম্বকপাদমূলে ব্যকীর্যত।

শ্লোক ৬২ ঃ উমা অপি নীলালকমধ্যশোভি নৱকর্ণিকাৰম্ বিস্রংময়ন্তী কর্ণচ্যুতপ্লৱেন মূর্দ্ধ্ন বৃষভধ্বজায় প্রণামং চকাৰ।

শ্লোক ৬৩ ঃ সা ভৱেন অনন্যভাজং পতিম্ আপ্নুহীতি তথ্যম্ এৰ অভিহিতা। ঈশ্বৰ ব্যাহৃতয়ঃ (ভগৱদুক্তয়ঃ) কদাচিত লোকে বিপৰীতং অর্থং নহি পুষ্নন্তি (ফলন্তি)

৬.৩.২ শ্লোকসমূহৰ (৫১-৬৩) শব্দার্থ

শ্লোকসমূহৰ (৫১-৬৩) গদ্যপাঠ জনাৰ পিছত এতিয়া আপুনি শব্দার্থ জানিব পাৰিব—

শ্লোক ৫১ ঃ স্মৰঃ তথাভূতং মনসা অপি অধৃষ্যম্ (কামৱেৰমৱেও কল্পনানকৰা সেই আকৃতিৰ), অয়ুগ্মনেত্রম (শিৱম্) অদূৰাত্ পশ্যন্ (মহাদেৱক ওচৰৰপৰা দেখি ভয়ত শিথিল হৈ (সাধ্বসন্নহস্তঃ (সন্) স্বহস্তাত্ স্রস্তং চাপং ন অলক্ষয়ত্ (হাতৰ পৰা তললৈ খহি পৰা ধেনু কামদেৱে লক্ষ্যই কৰিব পৰা নাছিল)।। ৫১ ।।

শ্লোক ৫২ ঃ অথ নির্বাণভূয়িষ্ঠম্ অস্য বীর্য্যং বপুর্গুণেন সন্ধুক্ষয়ন্তী (নিজৰ দেহ সৌন্দর্যৰে নির্বাণপ্রায় কামদেৱৰ বলক সমুজ্জ্বল কৰি বনদেৱতাভ্যাম্ অনুপ্রয়াতা (অনুগম্যমানা) স্থাৱৰ ৰাজকন্যা অদৃশ্যত (বনদেৱতাসকলৰ দ্বাৰা অনুগত হৈ হিমালয়ৰ দুহিতাক (আশ্রমঅভিমুখে যোৱা) দেখা গৈছিল।

শ্লোক ৫৩ ঃ অশোকনির্ভত্সিতপদ্মৰাগ (পদ্মৰাগমণিৰ ঠাইত ৰঙা অশোকফুল) হেমদ্যুতি কর্ণিকাৰম্ (সোণৰ সলনি কর্ণিকাৰ পুষ্প) মুক্তা-কলাপীকৃতসিন্ধুবাৰং (মুকুতাৰ সলনি সিন্ধুবাৰ পুষ্প) বসন্ত পুষ্পাভৰণং বহন্তী (ৰাজকন্যা অদৃশ্যত) (বসন্ত ঋতুৰ বিভিন্ন ফুলৰ আভৰণ বহন কৰা পার্বতীক দেখা গৈছিল।)

শ্লোক ৫৪ ঃ স্তনাভ্যাং কিঞ্চিদিৰ আৱর্জিতা তৰুণার্কৰাগম্ বাসঃ বসানা (বুকুৰ পৰা কিঞ্চিত তললৈ খহি পৰা ৰাতিপুৱাৰ সূর্যৰ নিচিনা ৰঙাবস্ত্র পৰিধান কৰা) পর্যাপ্তপুষ্পস্তৱকনম্রা (পর্যাপ্তপৰিমাণৰ ফুলৰ থোপাৰ ভৰত অৱনমিতা) সঞ্চাৰিনী পল্লবিনী লতা ইৱ (ৰাজকন্যা অদৃশ্যত) (হালি-জালি থকা পল্লৱসমৃদ্ধা এজোপা লতাৰ দৰে পার্বতীক দেখা পাইছিল।

শ্লোক ৫৫ ঃ স্থানবিদা স্মৱেণ ন্যাসীকৃতাং কার্মুকস্য দ্বিতীয় মৌর্বীম্ (স্থানবিদ কামদেৱে তেওঁৰ ধেনুৰ দ্বিতীয় জ্যা হিচাবে নিক্ষেপ কৰিছিল), নিতম্বাত স্রস্তাং কেসৰদামকাঞ্চীম্ পুনঃ পুনঃ অৱলম্বমানা (ৰাজকন্যা অদৃশ্যত) (ককালৰ পৰা বাৰে বাৰে তললৈ খহি পৰা আৰু হাতেৰে বাৰে বাৰে ওপৰলৈ উঠোৱা বকুলফুলৰ মেখলাৰে ৰাজকন্যাক দেখা গৈছিল)।

শ্লোক ৫৬ ঃ সুগন্ধি নিঃশ্বাসৱিবৃদ্ধতৃষ্ণং বিম্বাধৰাসন্নচৰং দ্বিৰেফং (সুগন্ধি নিশ্বাসৰ বাবে পিপাসা বৃদ্ধি পোৱা বিম্বসদৃশ অধৰৰ চৌদিশে ঘূৰি ফুৰা ভোমোৱাবিলাকক), প্রতিক্ষণং সংভ্রমলোলদৃষ্টি (প্রতিক্ষণে ভয় বিহ্বল চাৱনিৰে), লীলাৰবিন্দেন (ৰাজকন্যা অদৃশ্যত) হাতত লৈ থকা পদুমেৰে বাধা দি থকা পার্বতীক দেখা পাইছিল)।

শ্লোক ৫৭ ঃ সর্বাৱয়ৱানবদ্যাং ৰতেঃ অপি হ্রীপদম আদধানাং তাংবীক্ষ্য (ৰতিদেৱীকো লজ্জিত কৰিব পৰা সর্ব অৱয়বা অনবদ্যা সুন্দৰী পার্বতীক দেখি), পুষ্পচাপঃ স্বকার্যসিদ্ধিং পুনৰাশশংসে (জিতেন্দ্রিয় মহাদেৱৰ ওপৰত কামদেৱে নিজৰ কার্যসিদ্ধিৰ পুনৰ আশা কৰিছিল)।

শ্লোক ৫৮ ঃ উমা ভৱিষ্যতৰ পত্যুঃ শম্ভোঃ প্রতিহাৰ ভূমিম্ (দ্বাৰদেশম্) (পার্বতীয়ে তেওঁৰ ভৱিষ্যতৰ পতিমহাদেৱৰ তপস্যা ভূমিৰ ওচৰলৈ আহিছিল), সমাসসাদ চ স অন্তঃ পৰমাত্মসংজ্ঞং পৰং জ্যোতিঃ দৃষ্টি যোগাত্ উপৰৰাম (ঠিক সেইসময়তে পৰমাত্মসংজ্ঞ পৰমজ্যোতি অন্তৰত দর্শন কৰা মহাদেৱে যোগ সমাপ্ত কৰিছিল)।

শ্লোক ৫৯ ঃ ততঃ ভুজঙ্গাঁধিপতেঃ ফণাগ্রৈঃ অধঃ (নিম্নভাগেঃ কথঞ্চিত্ ধৃতভূমিভাগঃ) ভুজঙ্গাধিপতি শেষ নাগেও তাৰ ফনাৰ আগেৰে ভূমি (পৃথিৱী) কথমপিহে ধাৰণ কৰিবলৈ সক্ষম হৈছিল), শনৈঃ কৃতপ্রাণবিমুক্তিঃ ঈশঃ নিবিড়ং পর্যঙ্কবন্ধঃ বীৰাসনং বিভেদ (লাহে লাহে অন্তঃস্থ বায়ু মুক্ত কৰি দিয়া ভগৱান শিৱই বীৰাসন পৰিত্যাগ কৰিছিল)।

শ্লোক ৬০ ঃ নন্দী তস্মৈ (ঈশায়) প্রণিপত্য শুশ্রুষয়া উপেতাম্ শৈলসূতাং শশংস (তেওঁক প্রণিপাত জনাই নন্দীয়ে শুশ্রূষাৰ বাবে অহা পার্বতীক নিৱেদন কৰিছিল), ভর্ত্তুঃ ভ্রুক্ষেপমাত্রানুমতপ্রৱেশাম্ এনাং প্রৱেশয়ামাস চ (গৰাকীৰ শিৱৰ) ভ্রু সঞ্চালনৰ দ্বাৰা অনুমতি পাই পার্বতীক প্রৱেশ কৰাইছিল)।

শ্লোক ৬১ ঃ তস্যাঃ সখীভ্যাং স্বহস্তলূনঃ পল্লৱভঙ্গভিন্নঃ শিশিৰাত্যয়স্য পুষ্পোচয়ঃ (পার্বতীৰ সখীদুগৰাকীয়ে নিজ হাতে চিঙা বসন্ত ঋতুৰ পল্লৱযুক্ত ফুলৰ থোপাসমূহ), প্রণিপাতপূর্বং ত্র্যম্বক পাদমূলে ব্যকীর্যত (মহাদেৱৰ পাদমূলত প্রণিপাত জনাই চতিয়াই দিলে।

শ্লোক ৬২ ঃ উমা অপি লীলালকমধ্য শোভি কর্ণিকাৰম বিস্রংসয়ন্তী (কলা চুলিৰ মাজত শোভা পোৱা কর্ণিকাৰ পুষ্প খহি পৰিছিল), কর্ণচ্যুত পল্লৱেন মুদ্ধ্নর্ বৃষভধ্বজায় প্রণামং চকাৰ (শিৰ অৱনত কৰোতে তেওঁৰ কর্ণৰ পৰাও খহি পৰা ফুলেৰে আৰু শিৱেৰে মহাদেৱক প্রণাম জনাইছিল)।

শ্লোক ৬৩ ঃ সা ভৱেন অনন্যভাজং পতিম্ আপ্নুহীতি তথ্যম্ এৰ অভিহিতা (তেতিয়া

তেওঁক (পার্বতীক) 'অনন্যাসক্ত পতি লাভ কৰা' এই সত্যবচন শিৱৰ দ্বাৰা পার্বতীক কোৱা হৈছিল), ঈশ্বৰ ব্যাহৃতয়ঃ (ভগৱদুক্তয়ঃ) কদাচিত্লোক বিপৰীতং অর্থং ন হি পুষ্নন্তি (ফলন্তি) মহাপুৰুষসকলৰ উক্তিয়ে এই পৃথিৱীত কেতিয়াও বিপৰীত অর্থ নিদিয়ে।



জানি থোৱা ভাল

শ্লোক নং ৫২ ঃ সন্ধুক্ষয়ন্তীৱ = শৰীৰৰ সৌন্দর্য্যৰে বৃদ্ধি কৰা বপুর্গুণেন সন্ধুক্ষয়ন্তী বর্দ্ধয়ন্তী।

স্থাৱৰৰাজকন্যা ঃ = হিমালয়ৰ কন্যা পার্বতী।

শ্লোক নং ৫৩ ঃ হেম্নঃ = সুবর্ণঃ (সোণ)

শ্লোক নং ৫৫ ঃ কার্মুকম্ = ধনু

শ্লোক নং ৫৭ ঃ শূলিনি = শিৱ

শ্লোক নং ৫৯ ঃ ভুজঙ্গাধিপতেঃ = শেষ নাগ বা অনন্তনাগ

শ্লোক নং ৬২ ঃ বৃষভধ্বজায় = বৃষভ (ষাড়গৰু), ধ্বজ (চিহ্ন) বৃষভ বা ষাড়গৰু শিৱৰ বাহন = অর্থাৎ = শিৱ। বৃষভঃ ধ্বজঃ (চিহ্নং) যস্য = বহুব্রীহি সমাস।

৬.৩.২ শ্লোকসমূহৰ (৫১-৬৩) অসমীয়া অনুবাদ

এতিয়া আপুনিকুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ এটা অংশ (শ্লোক ৫১-৬৩) লৈকে অনুবাদ জানিব পাৰিব—

শ্লোক ৫১ ঃ কামদেৱৰ মনেৰেও কল্পনা নকৰা সেই আকৃতিৰ মহাদেৱক ওচৰৰ পৰা দেখি ভয়ত শিথিল হৈ হাতৰ পৰা তললৈ খহিপৰা ধনু কামদেৱে লক্ষ্যই কৰা নাছিল।

শ্লোক ৫২ ঃ তাৰ পাছত হিমালয়ৰ দুহিতা পার্বতী বনদেৱতাসকলৰ দ্বাৰা অনুগতহৈ, নিজৰ দেহৰ সৌন্দর্য্যৰে নির্বাণপ্রায় কামদেৱৰ বলক সমুজ্জ্বল কৰি মহাদেৱৰ আগত দেখা দিলে।

শ্লোক ৫৩ ঃ পদ্মৰাগমণিৰ ঠাইত ৰঙা অশোকফুল, সোণৰ সলনি কর্ণিকাৰ পুষ্প আৰু মুকুতাৰ সলনি সিন্ধুবাৰ পুষ্প আদি বসন্তঋতুৰ বিভিন্ন ফুলৰ আভৰণ বহন কৰা পার্বতীক দেখা গৈছিল।

শ্লোক ৫৪ ঃ বুকুৰ পৰা কিঞ্চিত তললৈ খহি পৰা ৰাতিপুৱাৰ সূর্যৰ নিচিনা ৰঙাবস্ত্র পৰিধান কৰা পর্যাপ্ত পৰিমানৰ ফুলৰ থোপাৰ ভৰত অৱনমিতা হালি-জালি থকা পল্লৱসমৃদ্ধা এজোপা লতাৰ দৰে পার্বতীক দেখা গৈছিল।

শ্লোক ৫৫ ঃ ককালৰ পৰা বাৰে বাৰে তললৈ খহি পৰা আৰু হাতেৰে বাৰে বাৰে ওপৰলৈ উঠোৱা বকুলফুলৰ মেখলাক স্থানবিদ কামদেৱে তেওঁৰ ধনুৰ

দ্বিতীয় জ্যা হিচাবে নিক্ষেপ কৰিছিল।

শ্লোক ৫৬ ঃ সুগন্ধি নিশ্বাসৰ পিপাসা বৃদ্ধি পোৱা বিম্বসদৃশ অধৰৰ চৌদিশে ঘূৰি থকা ভোমোৱাবিলাকক ভয় বিহ্বল চাঁৱনিৰে পদুম ফুল লৈ থকা হাতেৰে বাধা দি থকা পার্বতীক দেখা পাইছিল।

শ্লোক ৫৭ ঃ ৰতিদেৱীকো লজ্জিত কৰিব পৰা সর্বঅৱয়বা অনবদ্যা সুন্দৰী পার্বতীক দেখি জিতেন্দ্রিয় মহাদেৱৰ ওপৰত কামদেৱে নিজৰ কার্যসিদ্ধিৰ পুনৰ আশা কৰিছিল।

শ্লোক ৫৮ ঃ পার্বতীয়ে তেওঁৰ ভৱিষ্যতৰ পতি মহাদেৱৰ তপস্যা ভূমিৰ ওচৰলৈ আহিছিল। ঠিক সেই সময়তে পৰমাত্মা সংজ্ঞক পৰমজ্যোতি অন্তৰত দর্শন কৰা মহাদেৱে যোগ সমাপ্ত কৰিছিল।

শ্লোক ৫৯ ঃ তেতিয়া অন্তঃস্থ বায়ু মুক্ত কৰি দিয়া ভগৱান শিৱই তেওঁৰ বীৰাসন পৰিত্যাগ কৰিছিল আৰু ভূজঙ্গাধিপতি শেষ নাগেও তাৰ ফনাৰ অগ্রভাগেৰে কথমপিহে ভূমিভাগ ধৰি ৰাখিবলৈ সক্ষম হৈছিল।

শ্লোক ৬০ ঃ তেওঁক প্রণিপাত জনাই নন্দীয়ে শুশ্রূষাৰ বাবে অহা পার্বতীক নিবেদন কৰিছিল। গৰাকীৰ ভ্রূ সঞ্চালনৰ দ্বাৰা অনুমতি পাই পার্বতীক প্রৱেশ কৰাইছিল।

শ্লোক ৬১ ঃ পার্বতীক সখী দুগৰাকীয়ে নিজহাতে চিঙা বসন্ত ঋতুৰ পল্লৱযুক্ত ফুলৰ থোপাসমূহ মহাদেৱৰ পাদমূলত প্রণিপাতপূর্বক চতিয়াই দিলে।

শ্লোক ৬২ ঃ কলা চুলিৰ মাজত শোভা পোৱা কর্ণিকাৰ পুষ্প খহি পৰা পার্বতীয়ে শিৱেৰে মহাদেৱক প্রণাম কৰিছিল। শিৱ অৱনত কৰোঁতে তেওঁৰ কর্ণৰ পৰাও ফুল খহি পৰিছিল।

শ্লোক ৬৩ ঃ 'অনন্যাসক্ত পতি লাভ কৰা' এই সত্যবচন হৱৰ দ্বাৰা পার্বতীক কোৱা হৈছিল। মহাপুৰুষসকলৰ উক্তিয়ে এই পৃথিৱীত কেতিয়াও বিপৰীত অর্থ নিদিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শিৱৰ আশ্রমত উপস্থিত হোৱা পার্বতীয়ে বসন্তৰ কি কি আভৰণ পৰিধান কৰিছিল?

.....

প্রশ্ন নং ২ঃ 'লীলা অৰবিন্দ' শব্দৰ অর্থ বুজাই লিখক।

.....

প্রশ্ন নং ৩ঃ 'ভূজঙ্গাধিপতি' শব্দই কাক বুজাইছে? ভূজঙ্গাধিপতিয়ে কি কৰিছিল?

.....

প্রশ্ন নং ৪ঃ 'অনন্যভাজম্' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ৫ঃ 'ঈশ্বৰব্যাহৃত' শব্দৰ তাৎপর্য কি?

.....

প্রশ্ন নং ৬ঃ 'বৃষভধ্বজ' শব্দই কাক বুজাইছে?

.....

৬.৪ ব্যাকৰণগত টোকা

শ্লোক ৫১ ঃ মাধ্বসন্নন্নহস্তঃ = মন্নৌ হস্তৌ যস্য (বহু)সঃ

মন্নহস্তঃ, মাধ্বসেন সন্নহস্ত = তৃতীয়া তৎপুৰুষ, সঃ

বিভক্তি নির্ণয়

মনসা - কৰণে তৃতীয়া

স্ব২স্তাত্ - অপাদানেপঞ্চমী

বুৎপত্তি

অলক্ষয়ত = লক্ষ্ + নিচ্ + লঙ্ দ

শ্লোক ৫২ ঃ

সমাস

নির্বানভূয়িষ্ঠাম্ - নির্বানেন ভূয়িষ্ঠ ঃ তৃতীয়া তৎপুৰুষ, তম্

বুৎপত্তি

ভূয়িষ্ঠম্ = বহু + ইষ্ঠন্, দ্বিতীয়া একবচন

সন্ধুক্ষয়ন্তী = সম্ + ধুক্ষ্ + নিচ্ + শতৃ

অনুপ্রয়াতা = অনু - প্র + যা + ক্ত + টাপ্, প্রথম পুৰুষ একবচন

অদৃশ্যত = দৃশ্ + লঙ্ প্রথম পুৰুষ একবচন (কর্মনি)

শ্লোক ৫৩ ঃ

সমাস

অশোকনির্ভৎসিতপদ্মৰাগম্ = অশোকেন নির্ভৎসিতাঃ পদ্মৰাগা যেন = বহুব্রীহি সমাস, তত্।

আকৃষ্টহেমদ্যুতিকর্নিকাৰম্ = হেম্নঃ দ্যুতিঃ ষষ্ঠী তৎপুৰুষ, হেমদ্যুতিঃ আকৃষ্টা হেমদ্যুতি যৈঃ = বহুব্রীহিসমাস, তানি, আকৃষ্টহেমদ্যুতীনি, আকৃষ্টহেমদ্যুতীনি কর্ণিকাৰানি যস্মিন্ = বহুব্রীহি সমাস, তত। মুক্তশ্লাপীকৃতসিন্ধুবাৰম্ = মুক্তানাং কলাপাঃ (ষষ্ঠী ত্যপুৰুষ) মুক্তাকলাপাঃ, মুক্তাকলাপীকৃতানি সিন্ধুবাৰানি মস্মিন্ (বহুব্রীহি) তত্ বসন্তপুষ্পাভৰনম্ = বসন্তস্য পুষ্পানি ষষ্ঠী ত্যপুৰুষ, বসন্তপুষ্পানি, বসন্তপুষ্পাণ্যেব আভৰণম্ = কর্মধাৰয়, বসন্তপুষ্পাভৰণম্।

বুৎপত্তি

বহন্তী = বহ্ + শতৃ + ঙীপ্ প্রথম পুৰুষ একবচন

শ্লোক ৫৪ ঃ

সমাস

তৰুণাকৰাগম্ = তৰুনশ্চাসৌ অর্কঃ কর্মধাৰয় সমাস, তৰুনার্কঃ তৰুনার্কস্য ৰাগ ইব ৰাগো যস্য বহুব্রীহি সমাস, তত্।

পর্যাপ্তপুষ্পস্তৱকনম্রা = পর্যাপ্তঃ পুষ্পস্তবকম্ = কর্মধাৰয় সমাস

তেন অৱনম্রা = তৃতীয়া তৎপুৰুষ

বিভক্তি নির্ণয়

স্তনাভ্যাম্ = কৰণে তৃতীয়া।

বুৎপত্তি

আৱর্জিতা = আ - বর্জু + ক্ত + টাপ্ প্রথমপুৰুষ একবচন

বসানা = বস্ + কর্তৰি শানচ্ + টাপ্ প্রথমপুৰুষঃ একবচন

শ্লোক ৫৫ ঃ

সমাস

কেশৰ দামকাঞ্চী — কেশৰানাং দাম = ষষ্ঠী তৎপুৰুষ, কেশৰদাম, কেশৰদাম এব কাঞ্চী = কর্মধাৰয়, তাম্

বিভক্তি

নিতম্বাত্ = অপাদানে পঞ্চমী

স্থানবিদা স্মৰেণ = অনুক্তে কর্তৰি তৃতীয়া

বুৎপত্তি

ন্যাসীকৃতাম্ = ন্যাস + ষ্বি (অভূততদ্ভাবে) + কৃ + ক্ত, কর্তৰি স্ত্রিয়াম্ অৱলম্বমানা = অৱ + লম্ব + শানচ্ + টাপ্

শ্লোক ৫৬ ঃ

সমাস

সুগন্ধিনিশ্বাসবিবৃদ্ধতৃষ্ণম্ = শোভনগন্ধ ঃ যেষাম্ = বহুব্রীহি সমাস, তে, সুগন্ধয়ঃ সুগন্ধয় চ তে নিশ্বাসাঃ কর্মধাৰয় সমাস সুগন্ধিনিশ্বাসাঃ, বিশেষেন বৃদ্ধাঃ প্রাদি তৎপুৰুষ, বিবৃদ্ধাঃ বিবৃদ্ধা। তৃষ্ণা যস্য = বহুব্রীহি সমাস, সঃ, বিবৃদ্ধতৃষ্ণঃ সুগন্ধিনিশ্বাসৈঃ বিবৃদ্ধতৃষ্ণঃ = তৃতীয়া তৎপুৰুষ, তম্। দ্বিৰেফঃ দ্বৌ ৰেফৌ যস্য (বহুব্রীহি)

প্রতিক্ষনম্ = ক্ষনং ক্ষনং ভ্রতি = অব্যয়ীভাব সমাস।

বুৎপত্তি

আসন্ন = আ সদ্ + ক্ত

নিবাৰয়ন্তী = নি - বৃ + নিচ্ + শতৃ + ঙীপ্

শ্লোক ৫৭ ঃ

সমাস

সর্বাবয়বানবদ্যাম = ন অবদ্যা নঞ্ তৎপুৰুষ, সর্বাবয়বেষু

অনবদ্যা = সপ্তমী তৎপুৰুষ, সর্বাবয়বানবদ্যা, তাম্।

জিতেন্দ্রিয়ে = জিতানি ইন্দ্রিয়ানি যেন = বহুব্রীহি সমাস, সঃ জিতেন্দ্রিয়ঃ, তস্মিন্।

বিভক্তি নির্ণয়

জিতেন্দ্রিয়শূলিনি = অধিকৰণে সপ্তমী

বুৎপত্তি

বীক্ষ্য = বি - ঈক্ষ্ + ল্যপ্

আদধানাম্ = আ - ধা + শানচ্ + টাপ্

আশকাংসে = আ - শংস্ + লিট্ এ

শ্লোক ৫৮ ঃ

সমাস

প্রতিহাৰভূমিম্ = প্রতিহাৰস্য ভূমিঃ = ষষ্ঠী তৎপুৰুষ প্রতিহাৰভূমিঃ তাম্

পৰমাত্মসংজ্ঞম্ = পৰমশ্চাসৌ আত্মা = কর্মধাৰয়সমাস, পৰমাত্মা, পৰমাত্মা সংজ্ঞা যস্য = বহুব্রীহি সমাস, তত্

বিভক্তি নির্ণয়

যোগাত্ = অপাদানে পঞ্চমী

বুৎপত্তি

ভৱিষ্যতঃ = ভূ + লৃট্ - ভবিষ্য + শতৃ। ষষ্ঠী একবচন

সমাসসাদ = সম্ - আ + সদ্ + লিট্ প্রথমপুৰুষ একবচন

উপাৰৰাম = উপ - আ + ৰম্ + লিট্ প্রথমা একবচন

শ্লোক ৫৯ ঃ

সমাস

ভূজঙ্গাধিপতেঃ = ভূজঙ্গানাম্ অধিপতিঃ ষষ্ঠী তৎপুৰুষ,

ভূজঙ্গাধিপতিঃ তস্য

ধৃতভূমিভাগঃ = ভূমেঃ ভাগ ষষ্ঠী তৎপুৰুষ, ভূমিভাগঃ ধৃতঃ ভূমিভাগঃ যস্য = বহুব্রীহি সমাস

বুৎপত্তি

বিভেদ = ভিদ্ + লিট্ প্রথম পুৰুষ একবচন

বিমুক্তিঃ = বি + মুচ্ + ক্তিন্ প্রথমপুৰুষ একবচন

শ্লোক ৬০ ঃ

সমাস

ভ্রূক্ষেপ = ভ্রূবঃ ক্ষেপঃ = ষষ্ঠী তৎপুৰুষ

বিভক্তি নির্ণয়

তস্মৈ = ক্রিয়াযোগে চতুর্থী

বুৎপত্তি

প্রণিপত্য = প্র - নি + পত্ + ল্যপ্

শশংস = শংস্ + লিট্ অ

উপেতাম্ = উপ + ই + ক্ত + টাপ্

প্রবেশয়ামাস = প্র - বিশ্ + নিচ্ + লিট্ অ।

শ্লোক ৬১ ঃ

সমাস

স্বহস্তলূনঃ = স্বশ্চাসৌ হস্তঃ = কর্মধাৰয় সমাস, স্বহস্তঃ স্বহস্তেন লূনঃ = তৃতীয়া তৎপুৰুষ

শিশিকাত্যয়স্য = শিশিৰস্য অত্যয়ঃ ষষ্ঠী তৎপুৰুষ, শিশিৰাত্যয়ঃ তস্য

পুষ্পোচ্চয়ঃ = পুষ্পানাম্ উচ্চয়ঃ = ষষ্ঠী তৎপুৰুষ

পল্লবভঙ্গ = পল্লবানাং ভঙ্গঃ = ষষ্ঠী তৎপুৰুষ

বুৎপত্তি

ব্যকীর্যত = বি - কৃ + কর্মনি লঙ্ ত

শ্লোক ৬২ ঃ

সমাস

লীলালকমধ্যশোভি = নীলাশ্চ তে অলকাঃ কর্মধাৰয় সমাস, নীলালকাঃ, নীলালকানাং মধ্যম্ ষষ্ঠী তৎপুৰুষ, নীলালকমধ্যয় নীলালকমধ্যে শোভতে ইতি উপপদতৎপুৰুষ।

কর্ণচ্যুতপল্লবেন = কর্ণাত্ চ্যুতঃ ষষ্ঠী তৎপুৰুষ, কর্ণচ্যুতঃ কর্ণচ্যুতশ্চাসৌ পল্লবঃ = কর্মধাৰয়সমাস, কর্ণচ্যুতপল্লবঃ, তেন বৃষাৎধ্বজায় = বৃষৎঃ ধ্বজঃ (চিহ্নঃ) য়স্য = বহুব্রীহি সমাস।

বুৎপত্তি

চকাৰ = কৃ + লিট্ অ

বিস্রসয়ন্তী = বি - স্রংস্ + নিচ্ + শতৃ + ঙীপ্

শ্লোক ৬৩ ঃ

সমাস

অনন্যভাজম্ = অন্যাং ভজন্তি = উপপদ্ তৎপুৰুষ, ইতি অন্যভাক্,

ন অন্যভাক্ = নঞ্ তৎপুৰুষ, অনন্যভাক্, তম্

ঈশ্বৰবাহ্যতয়ঃ = ঈশ্বৰস্য ব্যাহ্যতয়ঃ = ষষ্ঠী তৎপুৰুষ

ব্যুৎপত্তি

আপ্নুহি = আপ্ - লোট্ হি

অভিহিতা = অভিধা + ক্ত কর্মনি

পুষ্পন্তি = পুষ্ + লট্ অন্তি।

৬.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৫১-৬৩) বিষয়বস্তু

এতিয়া আপুনি ব্যাকৰণৰ জ্ঞান লাভ কৰাৰ পাছত সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তুসমূহ জানিব পাৰিব।

মহাকবি কালিদাস বিৰচিত কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গত কামদেৱৰ দ্বাৰা শিৱৰ সমাধি ভঙ্গ কৰাৰ কথা বর্ণনা কৰা হৈছে। সমাধিস্থ মহাদেৱৰ আশ্রমলৈ অহা পার্বতীৰ ৰূপ আৰু কেনেদৰে মহাদেৱক প্রণিপাত জনালে (৫১-৬৩) নং শ্লোকত বর্ণনা কৰিছে।

কামদেৱে মনেৰেও কল্পনা নকৰা সমাধিস্থ মহাদেৱক ওচৰৰ পৰা দেখি তেওঁৰ হাতত থকা পুষ্পবাণ হাতৰ পৰা তললৈ খহি পৰিল, সেয়া কামদেৱে লক্ষ্যই কৰা নাছিল। তেনে সময়তে হিমালয়ৰ দুহিতা পার্বতী বনদেৱতাসকলৰ দ্বাৰা অনুগত হৈ আৰু নিজৰ দেহৰ সৌন্দর্যৰে নির্বাণ প্রায় কামদেৱৰ বলক সমুজ্জল কৰি মহাদেৱৰ আগত দেখা দিলে। সেই সময়ত পার্বতীয়ে পদ্মৰাগ মণিৰ ঠাইত ৰঙা অশোকফুল, সোণৰ অলঙ্কাৰৰ সলনি কর্ণিকাৰ পুষ্প আৰু মুকুতাৰ সলনি সিন্ধুবাৰ পুষ্প আদি বসন্ত ঋতুত বিভিন্ন ফুলৰ আভৰণ বহন কৰা পার্বতীক দেখা গৈছিল। ককালৰ পৰা বাৰে বাৰে তললৈ খহি পৰা আৰু হাতেৰে উঠাই থকা পার্বতীৰ বকুলফলৰ মেখলাক স্থানবিদ কামদেৱে তেওঁৰ ধনুৰ দ্বিতীয় জ্যা হিচাবে নিক্ষেপ কৰিছিল। সুগন্ধি নিশ্বাসৰ বাবে পিপাসা বৃদ্ধি পোৱা বিম্বসদৃশ অধৰৰ চৌদিশে ঘূৰি থকা ভোমোৱাবিলাকক ভয় বিহ্বল চাঁৱনিৰে পদুমসদৃশ হাতেৰে বাধা দি থকা পার্বতীক দেখা পাইছিল। কামদেৱৰ পত্নী ৰতিদেৱীকো লজ্জিত কৰিব পৰা সর্বাঙ্গসুন্দৰী পার্বতীক দেখি জিতেন্দ্রিয় মহাদেৱৰ ওপৰত কামদেৱে নিজৰ কার্যসিদ্ধিৰ আশা কৰিছিল। পার্বতীয়ে তেওঁৰ ভৱিষ্যতৰ পতি মহাদেৱৰ তপস্যা ভূমিৰ ওচৰলৈ আহিছিল। ঠিক সেই সময়তে পৰমাত্মাসংজ্ঞ পৰমজ্যোতি অন্তৰত দর্শন কৰা মহাদেৱে যোগ সমাপ্ত কৰিছিল। তেতিয়া অন্তঃস্থ বায়ু মুক্ত কৰি দিয়া মহাদেৱে তেওঁৰ বীৰাসন পৰিত্যাগ কৰিছিল আৰু ভূজঙ্গাধিপতি শেষ নাগেও তাৰ সহস্রফনাৰ আগেৰে সেই ভূমি কথমপিহে ধাৰণ কৰিবলৈ সক্ষম হৈছিল।

তেওঁক প্রণিপাত জনাই নন্দীয়ে শুশ্রূষাৰ বাবে অহা পার্বতীক নিবেদন কৰিছিল। গৰাকীৰ ভ্রূসঞ্চালনৰ দ্বাৰা অনুমতি পাই পার্বতীক প্রৱেশ কৰাইছিল। গৰাকীৰ ভ্রূ সঞ্চালনৰ দ্বাৰা অনুমতি পাই পার্বতীক প্রৱেশ কৰাইছিল। পার্বতীৰ সখী দুগৰাকীয়ে নিজ হাতে চিঙা বসন্ত ঋতুৰ পল্লৱযুক্ত ফুলৰ থোপাসমূহ মহাদেৱৰ চৰণত প্রণিপাত জনাই চতিয়াই দিলে। কলা চুলিৰ মাজত শোভা পোৱা কর্ণিকাৰ পুষ্প খহি পৰা পার্বতীয়ে শিৰেৰে মহাদেৱক প্রণাম জনাইছিল। শিৰ অৱনত কৰোঁতে তেওঁৰ কর্ণৰ পৰাও ফুল খহি পৰিছিল। 'অনন্যাসক্ত পতি লাভ কৰা' এই সত্যবাক্য

মহাদেৱৰ দ্বাৰা পার্বতীক কোৱা হৈছিল। মহাপুৰুষসকলৰ এই উক্তিয়ে কেতিয়াও বিপৰীত অর্থ নিদিয়ে।

৬.৬ মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থ

(ক) ব্যাখ্যা ঃ

নির্বাণভূয়িষ্ঠমতাস্য বীর্য্যং সন্ধুধুক্ষয়ন্তীৱ বপুর্গুণেন।
অনুপ্রয়াতা বনদেৱতাভ্যাম্ অদৃশ্যত স্থাৱৰ ৰাজকন্যা ।। ৫২।।

উদ্ধৃতি ঃ উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয় সর্গৰ পৰা তুলি অনা হৈছে।

প্রসঙ্গ ঃ হিমালয়ৰ কন্যা পার্বতী শিৱৰ আশ্রমত প্রৱেশ কৰাৰ প্রসংগত কথাষাৰি কোৱা হৈছে।

ব্যাখ্যা ঃ মহাদেৱৰ সমাধিস্থানত হিমালয়ৰ দুহিতা পার্বতী বনদেৱতাসকলৰ দ্বাৰা অনুগত হৈ, নিজৰ দেহৰ সৌন্দর্যৰে নির্বাণপ্রায় কামদেৱৰ বলত সমুজ্জ্বল কৰি মহাদেৱৰ আগত দেখা দিলে। পার্বতীৰ দেহৰ আভৰণ বর্ণনা কৰি মহাকবি কালিদাসে কৈছে— পদ্মৰাগ মণিৰ ঠাইত ৰঙা অশোকফুল, সোণৰ অলংকাৰৰ সলনি কর্ণিকাৰ পুষ্প আৰু মুকুতাৰ সলনি সিন্ধুবাৰ পুষ্প আদি বসন্তঋতুৰ বিভিন্ন ফুলৰ আভৰণ বহন কৰা পার্বতীক দেখা গৈছিল।

পার্বতীয়ে পিতৃ হিমালয়ৰ অনুমতি লৈ ভৱিষ্যতে শিৱক স্বামীৰূপে লাভ কৰিবৰ বাবে মহাদেৱক শুশ্রুষা কৰিবৰ বাবে আশ্রমত উপস্থিত হৈছিল। পার্বতীয়ে তেওঁৰ ভৱিষ্যতৰ পতি মহাদেৱৰ তপস্যাভূমিত উপস্থিত হোৱাৰ সময়তে পৰমাত্মাসংজ্ঞ পৰমজ্যোতি অন্তৰত দর্শনকৰা মহাদেৱে যোগ সমাপ্ত কৰিছিল।

শ্লোকফাঁকিত উৎপ্রেক্ষা অলংকাৰ প্রয়োগ হৈছে।

(খ) ততো ভূজঙ্গাধিপতেঃ ফণাগ্রৈৱধঃ কথঞ্চিদ্ধৃতঃ ভূমিভাগঃ।
শণৈঃ কৃতপ্রাণবিমুক্তিৰীশঃ পর্যঙ্করন্ধ্র নিবিড় বিভেদ ।। ৫৯।।

উদ্ধৃতি ঃ উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয় সর্গৰ পৰা তুলি অনা হৈছে।

প্রসংগ ঃ সমাধিস্থ মহাদেৱে অন্তঃস্থ বায়ু দেহৰ পৰা উলিয়াই দিওঁতে ভূজঙ্গাধিপতিৰ অৱস্থা কেনে হৈছিল সেই প্রসংগত কথাষাৰি অৱতাৰণা কৰা হৈছে।

ব্যাখ্যা ঃ সমাধিৰ শেষত ভগৱান শিৱই বীৰাসন পৰিত্যাগ কৰাৰ আগে আগে অন্তঃস্থ বায়ু মুক্ত কৰি দিয়ে। প্রাণবায়ু হৈছে হৃদয়বায়ু। সেই সময়ত মহাদেৱৰ শৰীৰৰ ভাৰ অধিক গুণে বৃদ্ধি হয়। পৃথিৱী ধাৰণ কৰা অন্তত বা শেষ নাগৰ সহস্রফণাৰ ওপৰত থকা পৃথিৱীৰ ওজনো বাঢ়ি গৈছিল। ফলত শেষ নাগে পৃথিৱীখন কথমপিহে ৰক্ষা কৰিছিল। শৰীৰৰ পঞ্চবায়ু ৰোধ কৰা সকলোৰে পক্ষে সম্ভৱ নহয়। কেৱল পৰমাত্মাৰ দর্শনত নিজকে সমাধিস্থ কৰা জিতেন্দ্রিয় মহাদেৱৰ পক্ষেহে সেয়া সম্ভৱ। সেই কাৰণে হৃদয়বায়ু লাহে লাহে ত্যাগ কৰোতে মহাদেৱৰ শৰীৰৰ ওজনৰ বাবে পৃথিৱীখনো ভাৰ হোৱাৰ বাবে লৰচৰ হৈছিল। ফলত শেষনাগে ফণাৰে পৃথিৱীখন

কোনোমতেহে ধৰি ৰাখিবলৈ সমর্থ হৈছিল।

ভাৱার্থ শ্লোক ৬৩ ঃ অনন্যভাজং পতিমাপ্নুহীতি সা তথ্যমেবাভিহিতা ভৱেন

হিমালৰ পর্বতৰ উচ্চ শিখৰত ভৱেন যোগসমাধিত নিজকে ধ্যানস্থ কৰি ৰখা মহাদেৱৰ ধ্যান ভঙ্গ কৰি তেওঁক হিমালয়ৰ কন্যা পার্বতীৰ প্রতি আকৃষ্ট কৰাৰ মানসেৰে দেৱৰাজ ইন্দ্রৰ আজ্ঞা শিৰোধার্য কৰি পৰম ইপ্সিত সখি বসন্ত আৰু প্রাণসম প্রিয়তমা পত্নী ৰতিক লগত লৈ নিজৰ প্রাণৰ বিনিময়তো দেৱকার্য সিদ্ধিৰ অর্থে কামদেৱে হিমালয়স্থ মহাদেৱৰ আশ্রমত প্রৱেশ কৰিছিল। মহাদেৱক শুশ্রূষা কৰিবৰ বাবে পার্বতীও বনদেৱীসকলৰ লগত বসন্তৰ পুষ্পসম্ভাৰেৰে সজ্জিতা হৈ মহাদেৱৰ ওচৰত উপস্থিত হৈছিল। পার্বতীৰ সখীসকলে নিজ হাতে চিঙা বসন্তঋতুৰ পল্লৱফুক্ত ফুলৰ থোপাসমূহ মহাদেৱৰ চৰণত প্রণিপাত জনায় চতিয়াই দিয়ে। পার্বতীয়ে শিৰেৰে মহাদেৱক প্রণাম জনাইছিল। সেই সময়তে মহাদেৱে 'অনন্যাসক্ত স্বামী লাভ কৰিবলৈ পার্বতীক আশীর্বাদ দিছিল। মহাপুৰুষসকলৰ সত্যবচনে কেতিয়াও বিপৰীত অর্থ নিদিয়ে। অর্থাৎ তেনে সত্যবচনৰ ফল লাভ কৰে। পার্বতীয়ে মহাদেৱক ভৱিষ্যতে পতি লাভ কৰিবলৈকে অতিশয় সৌন্দর্যশীলা হৈ মহাদেৱৰ ওচৰত উপস্থিত হৈছিল। ধ্যানভঙ্গ মহাদেৱে সেই সময়তে পার্বতীৰ প্রতি আশীর্বাদ বচন উচ্চাৰণ কৰিছিল।



৬.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পাঠ্যাংশৰ শ্লোকসমূহৰ (৫১-৬০) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ জানিব পাৰিলে।
- প্রতিটো শ্লোকৰ শব্দার্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিলে।
- প্রতিটো শ্লোকৰ ব্যাকৰণগত টোকা আৰু শ্লোকসমূহৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- কেইটামান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থৰ বিষয়ে অৱগত হ'ল।



৬.৮ অধিক জানিবলৈ

১) *দি কুমাৰসম্ভৱম্ অৱ কালিদাস* - এম আৰ কালে (কেণ্টো - ১-৮) মতিলাল বাণাৰসীদাস, দিল্লী।

২) *কালিদাস' চ কুমাৰসম্ভৱম্* (কেণ্টো - ১-১৭) নাগ পাব্লিচার্চ, জৰাহৰ নগৰ, দিল্লী-৭।

৩) *কুমাৰসম্ভৱম্* (১-৫) সর্গ মহাকবি কালিদাস প্রণীতম্, সম্পাদনা - শ্রীমদ্‌গুৰুনাথ বিদ্যানিধি ভট্টাচার্য সংস্কৃত পুস্তক ভাণ্ডাৰ-৩৮, বিধান সৰণী, কলিকতা - ৭০০০০৬।

৪) *সংস্কৃত সাহিত্যসম্ভাৰ* - (Vol. 2), নৱপত্র প্রকাশন, ১৯৮৯, ৬ ব্যঙ্কিম চ্যাটার্জী ষ্ট্রীট, কলিকতা-৭০০০৭৩।

৫) *সংস্কৃত সাহিত্যের ইতিহাস* - ধীৰেন্দ্র নাথ বন্দোপাধ্যায় পশ্চিমবঙ্গ ৰাজ্য পুস্তক ব'র্ড, ২০১৪।

৬) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* - ড° থানেশ্বৰ শর্মা, চন্দ্রপ্রকাশ, পাণবজাৰ, গুৱাহাটী-১৯৯৫।

৭) *কুমাৰসম্ভৱম্ অৱ কালিদাস* — তৃতীয়সর্গ - সম্পাদনা ড°ইন্দিৰা শইকীয়া বৰা, প্রকাশিকা, পাণবজাৰ, গুৱাহাটী-২য় প্রকাশ ২০১৬।

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ পদ্মৰাগমণিৰ সলনি ৰঙা অশোকফুল, সোণৰ সলনি কর্ণিকাৰ পুষ্প আৰু মুকুতাৰ সলনি সিন্ধুবাৰ পুষ্প আদি বসন্ত ঋতুৰ বিভিন্ন ফুলৰ আভৰণ বহন কৰা পার্বতীয়ে পৰিধান কৰিছিল।

২ নং প্রশ্নৰ উত্তৰঃ 'লীলা অৰৱিন্দ' শব্দই পদুমফুলক বুজায়। প্রাচীনকালত ৰাজকন্যাসকলে হাতত এটা পদুমৰ কলি লৈ থাকে। ই এটা আভিজাত্যসূচক চিহ্ন। 'লীলা অৰৱিন্দ' বা 'লীলাকমল' শব্দৰ একেই অর্থ। পার্বতীয়ে বসন্ত ঋতুৰ পুষ্প পৰিধান কৰিছিল। ফুলৰ গোন্ধত ভোমোৰাবিলাক আকৃষ্ট হৈ পার্বতীৰ মুখত যেতিয়া পৰিছিল, তেতিয়া পার্বতীয়ে হাতত থকা লীলাকমলেৰে বাৰে বাৰে আতৰাই দিছিল।

৩ নং প্রশ্নৰ উত্তৰঃ 'ভূজঙ্গাধিপতি' শব্দ শেষনাগ বা অনন্তনাগক বুজাইছে। মহাদেৱে সমাধিৰ অন্তত প্রাণবায়ু লাহে লাহে এৰি দিছিল। তেতিয়া শিৱৰ ভৰত লৰচৰ কৰা পৃথিৱীক ভূজঙ্গাধিপতিয়ে বা শেষনাগে অতি কষ্টেৰে ধৰি ৰাখিছিল।

৪ নং প্রশ্নৰ উত্তৰঃ 'অনন্যভাজম্ ঃ' - যিজনে এগৰাকী পত্নীকেই বিচাৰে সেই অর্থত বুজায়। এগৰাকী স্ত্রীয়ে কামনা কৰে যে তেওঁৰ স্বামীয়ে তেওঁকেহে বিচাৰে। অর্থাৎ পতিব্রতা স্ত্রীৰ এয়ে কাম্য।

৫ নং প্রশ্নৰ উত্তৰঃ 'ঈশ্বৰব্যাহৃতয়ঃ' - 'ঈশ্বৰ' শব্দই 'ঋষি' অর্থাৎ 'মহিমান্বিত' জনক বুজায়। 'ব্যাহৃত' শব্দই 'উক্তি' বা 'বচন'ক বুজায়। অর্থাৎ 'ঈশ্বৰব্যাহৃত' শব্দই 'আধ্যাত্মিক' আৰু তেজস্বীসম্পন্ন ব্যক্তিৰ উক্তিক বুজায়। তেনে 'সত্যবচন'ৰ ফল সময়ত লাভ কৰে।

৬ নং প্রশ্নৰ উত্তৰঃ 'বৃষভধ্বজ' শব্দই মহাদেৱক বুজাইছে।



৬.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ওপৰত উল্লেখ কৰা (৫১-৬৩) নং শ্লোকৰ বিষয়বস্তু বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক—

নিৰ্বাণম্, সন্ধুক্ষয়ন্তী, তৰুণার্কৰাগম্, কেসৰদামকাঞ্চীম্, লীলাঅৰৱিন্দ, পৰমাত্মসংজ্ঞম্।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গত পোৱা শিৱৰ আশ্ৰমলৈ অহা পাৰ্বতীৰ বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ তাং বীক্ষ্য সর্বাবয়বানবদ্যাং ৰতেৰপিহ্রীপদম্াদধানাম্।
জিতেন্দ্রিয়ে শূলিনি পুষ্পচাপঃ স্বকার্য্যসিদ্ধিং পুনৰাশশাংস।।
ওপৰোক্ত শ্লোকফাঁকি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ তলৰ শ্লোকাংশ ভাৱ বহলাই লিখক
'ন হীশ্বৰব্যাহৃতয়ঃ কদাচিত্ পুষ্নন্তি লোকে বিপৰীতমর্থম্'

*** ***** ***